**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-04-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

লোকসভাৰ পাঁচখন আসনৰ বাবে অসমত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ ডিব্ৰুগড় আৰু শোণিতপুৰত জনসমাবেশত অংশ ল'ব। মন্ত্ৰী শ্বাহৰ লগতে সমাবেশসমূহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব।

আম আদমী পাৰ্টিৰ নেত্ৰী আতিশীয়ে ডিব্ৰুগড়ৰ দুলীয়াজানত আয়োজিত ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে। নেত্ৰীগৰাকীয়ে ডিব্ৰুগড় আৰু শোণিতপুৰ লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু ঋষিৰাজ কৌণ্ডিন্যৰ হৈ প্ৰচাৰ চলাব। কাইলৈ তেওঁ তিনিচুকীয়াত সংবাদ প্ৰতিষ্ঠানৰ সৈতে মত-বিনিময়ৰ লগতে মাৰ্ঘেৰিটাত মটৰ চাইকেল সমদল আৰু নিৰ্বাচনী সভাত অংশ ল'ব। ১০ এপ্ৰিলত তেওঁ তেজপুৰৰ প্ৰাৰ্থীগৰাকীৰ হৈ ৰোড শ্ব'ত অংশ ল'ব। কাইলৈ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰা, ৰাষ্ট্ৰীয় মুখ্য সম্পাদক জীতেন্দ্ৰ সিং আৰু যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা সাংসদ গৌৰৱ গগৈয়েও বিভিন্ন ঠাইত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ ল'ব।

বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চৰাইদেউ জিলাৰ সোণাৰি বিধানসভা সমষ্টিত যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ সাপেখাটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত আয়োজিত বিজয় সংকল্প সমাবেশত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ চৰকাৰে কন্যাশিশুৰ শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰে। ড° শৰ্মাই আজি শিৱসাগৰ নগৰৰ যুৱদল প্ৰেক্ষাগৃহত আয়োজিত বিজেপিৰ এখন সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। এই সভাত দলৰ নিৰ্বাচনী ৰণকৌশল সন্দৰ্ভত আলোচনা কৰা হয়। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ১৪ খন আসনৰ ভিতৰত দুখন আসনতহে প্ৰতিদ্বন্দ্বিতা হ'ব বুলি মন্তব্য কৰে। ডিব্ৰুগড় সমষ্টিৰ প্ৰাৰ্থী কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নৱগঠিত মাকুম বিধানসভা সমষ্টিত প্ৰচাৰ চলায়। ইপিনে, সমষ্টিটোৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী তথা অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে আজি মাৰ্ঘেৰিটা বিধানসভা সমষ্টিত কেইবাখনো প্ৰচাৰ সভাত অংশ লয়। তৃতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি মহানগৰীৰ বিভিন্ন অঞ্চলত কেইবাটাও প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। সমষ্টিটোৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে আজি গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত প্ৰচাৰ চলায়। তেওঁ দুধনৈ, দৰংগিৰি, কাছাদল আৰু গোৱালপাৰা পশ্চিম বিধানসভা সমষ্টিৰ ডেৰেকত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰী পীযুষ হাজৰিকাই আজি যোৰহাট জিলাৰ টীয়ক চাহ বাগিচাত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলায়।

oooooo

প্ৰাক্তন মন্ত্ৰী তথা বি পি এফৰ প্ৰতিষ্ঠাতা চন্দন ব্ৰহ্মই অহা ১২ এপ্ৰিলত ইউ পি পি এলত যোগদান কৰিব। চিৰাঙৰ চাপাগুৰিত আয়োজিত এখন সংবাদমেলত তেওঁ এই কথা প্ৰকাশ কৰে। তেওঁৰ সৈতে সেইদিনা কেইবাটাও দল-সংগঠনৰ লোকে ইউ পি পি এল দলত যোগদান কৰিব। অঞ্চলটোৰ স্থায়ী শান্তি স্থাপন, উন্নয়ন আৰু প্ৰগতিৰ হকে কাম কৰাৰ লক্ষ্যৰে এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি তেওঁ সংবাদমেলত প্ৰকাশ কৰে।

oooooooo

অসম লোকসেৱা আয়োগত সংঘটিত পৰীক্ষা কেলেংকাৰী সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে অনুসন্ধান অব্যাহত ৰাখিছে। সেই অনুসৰি আজি বিশেষ তদন্তকাৰী গোটে উলুবাৰীৰ অপৰাধ অনুসন্ধান বিভাগৰ কাৰ্যালয়ত

২০১৩ বৰ্ষৰ পৰীক্ষাৰ দায়িত্বত নিয়োজিত সাত জনকৈ নিৰীক্ষকৰ ভাষ্য গ্ৰহণ কৰে। বিশেষকৈ পৰীক্ষাৰ বহীত থকা স্বাক্ষৰ সন্দৰ্ভত তদন্তকাৰী বিষয়াই নিৰীক্ষক কেইগৰাকীৰ পৰা তথ্য আহৰণ কৰে। উল্লেখযোগ্য যে পূৰ্বে পৰীক্ষা কেলেংকাৰী সন্দৰ্ভত তদন্তকাৰী গোটে বহুকেইগৰাকী ৰাজপত্ৰিত বিষয়াক জেৰা চলাইছিল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া খেলত চেন্নাই ছুপাৰ কিংছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooooo

**সমাপ্ত**